# শিৰোনাম

## প্ৰাথমিক শিক্ষাত সৰ্বশিক্ষা অভিযানৰ প্ৰভাৱ

প্ৰস্তুতকৰ্তা নাম : বিদিশা তামুলী
শ্ৰেণী : স্নাতক ষষ্ঠ ষাণ্মাসিক
ৰোল নং : 23710028

Scanned by TapScanner

আৰম্ভণি:

প্ৰাথমিক শিক্ষা হৈছে আনুষ্ঠানিক শিক্ষাৰ প্ৰথম চাপ। শিশুৰ 6 বছৰ বয়সৰপৰা এই শিক্ষাৰ আৰম্ভণি হয়। সৰ্বশিক্ষা অভিযান হ'ল প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা এখন অভিলাষী শিক্ষা আঁচনি। ই হৈছে উচ্চ পৰ্যায়ত প্ৰাথমিক শিক্ষা ব্যৱস্থাক সাৰ্বজনীন কৰাৰ বাবে চলোৱা এক সামগ্ৰিক প্ৰচেষ্টা লগতে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক অংশীদাৰ হিচাপে লৈ প্ৰাথমিক শিক্ষাক সাৰ্বজনীন ৰূপ দান কৰা এক সবল পদক্ষেপ। শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ সকলো শিশুৰ বাবে এক মৌলিক অধিকাৰ। সৰ্বশিক্ষা অভিযানে এই ক্ষেত্ৰত আৰু এখোজ আগুৱাই গৈ এই অধিকাৰ শাৰীৰিকভাৱে অক্ষম সকলৈকেও সম্প্ৰসাৰিত কৰিলে। 2009 চনত গৃহীত হোৱা শিক্ষাৰ অধিকাৰ আইনখন অসম চৰকাৰে 2010 চনৰ 1 এপ্ৰিলৰ পৰা বলবৎ কৰাৰ পাছত সৰ্বশিক্ষা অভিযানে 6 বছৰৰ পৰা 14 বছৰ বয়সসীমাৰ অন্তৰ্গত শিশুসকলক সৰ্বাত্মক ৰূপত উচ্চ মানৰ প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে। এই অভিযানৰ জৰিয়তে সকলো শ্ৰেণীৰ শিশুসকলক বিকাশ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

অধ্যয়নৰ উদ্দেশ্য:

উক্ত প্ৰতিবেদনখনৰ জৰিয়তে সৰ্বশিক্ষা অভিযানৰ লক্ষ্য,

Scanned by TapScanner

উদ্দেশ্য, কাৰ্যৰ লগতে আঁচনিৰ বিস্তৃত কৌশল সম্পৰ্কে অৱগত কৰা হৈছে।

অধ্যয়নৰ পদ্ধতি :

উক্ত প্ৰতিবেদনখন দ্বিতীয়ক তথ্যৰ ওপৰত প্ৰতিষ্ঠিত।

বিষয়বস্তুৰ পটভূমি :

সৰ্বশিক্ষা অভিযানক কাৰ্যকৰী কৰিবৰ বাবে ৰেজিষ্ট্ৰেচন চচাইটি আইন 1860 চনৰ অধীনত পঞ্জীয়নভুক্ত সৰ্বশিক্ষা অভিযান মিচন 2001 বৰ্ষত প্ৰতিষ্ঠা হয়। 6ৰ পৰা 14 বছৰৰ প্ৰতিগৰাকী শিশুকেই শিক্ষা প্ৰদান কৰাটো ভাৰতীয় সংবিধানৰ এক নিৰ্দেশক নীতি। সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ লক্ষ্যসমূহ পূৰণৰ কাৰণে 6ৰ পৰা 14 বছৰৰ প্ৰতি গৰাকী শিশুকেই বিনামূলীয়া আৰু বাধ্যতামূলক কৰাটো গণতান্ত্ৰিক দায়িত্ব আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি 1996ৰ অধীনতে ভাৰত চৰকাৰে কেতবোৰ আঁচনি আৰম্ভ কৰে। ইয়াৰ ভিতৰতে অপাৰেচন ব্লেকবৰ্ড শিক্ষা কৰ্মী প্ৰকল্প, অন্ধ্ৰ প্ৰদেশ প্ৰাথমিক শিক্ষা প্ৰকল্প, বিহাৰ শিক্ষা প্ৰকল্প, মহিলা সমীক্ষা, ইউ. পি. বুনিয়াদী শিক্ষা প্ৰকল্প, লোক জাগিৰণ প্ৰকল্প, শিক্ষক শিক্ষাৰ আঁচনি যিয়ে শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু জিলা প্ৰাথমিক শিক্ষা কাৰ্যসূচীৰ জৰিয়তে শিক্ষক সমৰ্থন

-ৰ এক বিকেন্দ্ৰীভূত প্ৰণালী প্ৰস্তুত কৰিছে। সমগ্ৰ দেশতে সাৰ্বজনীন প্ৰাথমিক শিক্ষা নিশ্চিত কৰিবৰ কাৰণে 2000-01 বৰ্ষত সৰ্বশিক্ষা অভিযান আৰম্ভ কৰা হয়। কিছুমান মৌলিক উদ্দেশ্যৰে সৈতে অসমত সৰ্বশিক্ষা অভিযান মিছনে সৰ্বশিক্ষাৰ ৰাষ্ট্ৰীয় ফ্লেগশ্বিপ কাৰ্যসূচী কাৰ্যকৰী কৰিছে:

(1) নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত বিদ্যালয়লৈ যোৱাৰ সুযোগ নোপোৱা পৰ্যন্ত তেনে পিছপৰা অঞ্চলসমূহত বিদ্যালয়ৰ সুবিধা প্ৰদান কৰা,

(২) প্ৰাথমিক শিক্ষাৰ সময়ছোৱাত শিশুসকলক শিক্ষা প্ৰণালীৰ ভিতৰত ৰখা,

(3) শিক্ষক প্ৰশিক্ষণ, শিকণ সামগ্ৰীৰ বন্দবস্ত, পাঠ্যপুথি আদিৰ জৰিয়তে শিক্ষাৰ মান উন্নত কৰা,

(4) সামাজিকভাৱে পিছপৰা শ্ৰেণী, জাতি, জনজাতি আদিৰ মাজত সামাজিক ন্যায় প্ৰচাৰ কৰা।

সকলো শিশুকেই বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আইন (২০০৭) ৰ বিধি অনুসৰি আৰু 2010 বৰ্ষত আইনখন সমগ্ৰ দেশতে বলবৎ কৰা হয়, অসম সৰ্বশিক্ষা অভিযান, ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ আৰু প্ৰাথমিক শিক্ষাৰ সঞ্চালকালয়ক আইন কাৰ্যকৰী কৰ্তৃপক্ষ হিচাপে অধিসূচিত কৰা হৈছে।

Scanned by TapScanner

## বিষয়বস্তুৰ ব্যাখ্যা ঃ

সৰ্বশিক্ষা অভিযান ভাৰত চৰকাৰৰ এনে এটা অভিযান যাৰ যোগেৰে নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত প্ৰাথমিক শিক্ষা সাৰ্বজনীন-কৰণ কৰা হ'ব। সংবিধানৰ 86 সংশোধিত ধাৰাৰ মতে 6-14 বছৰৰ শিশুৰ সম্পূৰ্ণ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা তেওঁলোকৰ মৌলিক অধিকাৰ। ৰাজ্য চৰকাৰৰ অংশীদাৰত সমগ্ৰ ভাৰতৰ 1.1 নিযুত জনবসতি থকা ঠাইৰ 192 নিযুত শিশুক এই অভিযানে সামৰি লৈছে। এই অভিযানৰ ভিতৰত বিদ্যালয় নথকা জনবসতি অঞ্চলত নতুন বিদ্যালয় স্থাপন, বৰ্তমানে থকা বিদ্যালয়সমূহত শ্ৰেণীকোঠাৰ সংযোজন, শৌচালয় নিৰ্মাণ, খোৱা পানীৰ সুবিধা, বিদ্যালয় ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণৰ বাবে বিত্তীয় ব্যৱস্থা কৰা হৈছে। পৰ্যাপ্ত পৰিমাণৰ শিক্ষক নথকা বিদ্যালয়ত শিক্ষক নিযুক্তি, প্ৰশিক্ষণৰ যোগেৰে শিক্ষকসকলক দক্ষ কৰি তোলা, শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে বিত্তীয় সাহায্য প্ৰদান, স্তৰ খণ্ড জিলাই প্ৰতি শৈক্ষিক সহযোগ আদিৰ-ব্যৱস্থাও এই অভিযানৰ যোগেৰে কৰা হৈছে। দক্ষ জীৱন শৈলীৰ বাবেও এই অভিযানে প্ৰাথমিক শিক্ষাৰ মাজেৰে আশা কৰিছে। বিশেষ আয়োজন থকা শিশু আৰু কন্যা শিক্ষাৰ ক্ষেত্ৰত এই অভিযানে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। এই অভিযানে ডিজিটেল জগতলৈ সেতু হিচাপে কম্পিউটাৰৰ শিক্ষাৰো ব্যৱস্থা কৰিছে।

Scanned by TapScanner

## সৰ্বশিক্ষা অভিযানৰ লক্ষ্য :

সৰ্বশিক্ষা অভিযানে সমগ্ৰ ভাৰতবৰ্ষতে 6 ৰ পৰা 14 বছৰ বয়সৰ সকলো ল'ৰা- ছোৱালীকে আঞ্চলিক আৰু লিংগ বৈষম্য দূৰ কৰি গুণসম্পন্ন প্ৰাথমিক শিক্ষা প্ৰদান কৰা আৰু সম্প্ৰসাৰণ ঘটোৱাৰ ওপৰত গুৰুত্ব দিছে। সেয়ে এই অভিযানে নিম্নোলিখিত লক্ষ্যসমূহ আগত ৰাখিছে —

(1) 6-14 বছৰ বয়সৰ সকলো ল'ৰা- ছোৱালীৰে 2007 চনৰ ভিতৰত বিদ্যালয় বা শিক্ষা নিশ্চিতকৰণ কেন্দ্ৰত নামভৰ্তি নিশ্চিত কৰা হ'ব।

(2) প্ৰাথমিক শিক্ষাক কেন্দ্ৰীভূত কৰি, সন্তোষজনক, গুণসম্পন্ন কৰি তুলি 'জীৱনৰ বাবে শিক্ষাৰ' ওপৰত গুৰুত্ব দিব।

(3) প্ৰাথমিক শিক্ষাৰ স্তৰত থকা সামাজিক আৰু লিংগ বৈষম্য 2010 চনৰ ভিতৰত আঁতৰ কৰাৰ ব্যৱস্থা কৰা হ'ব।

(4) 2010 চনৰ ভিতৰত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত সাৰ্বজনীন সংৰক্ষণ নিশ্চিত কৰা হ'ব আৰু আধাতে বিদ্যালয় এৰি যোৱা শিশুৰ সংখ্যা শূন্যলৈ কমোৱা হ'ব।

## সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য :

সৰ্বশিক্ষা অভিযানৰ মূল উদ্দেশ্যসমূহ হৈছে —

(1) প্ৰাথমিক বিদ্যালয়ৰ মানদণ্ড ৰক্ষা কৰিবৰ বাবে ৰাজ্যসমূহৰ অনুষ্ঠানসমূহৰ সংস্কাৰ সাধন কৰা।

(2) শিক্ষানুষ্ঠানবোৰ যে বাইজৰ বাবেহে সেই ধাৰণা বাইজৰ মাজত

প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা।

(3) শিক্ষা কাৰ্যসূচীক শিথিলভাৱে ৰাজ্যৰ প্ৰয়োজন অনুসৰি গ্ৰহণযোগ্য কৰি তোলাৰ ব্যৱস্থা কৰা।

(4) বিদ্যালয় গৃহ নিৰ্মাণ আৰু মেৰামতিৰ বাবে স্থানীয় উৎসৰ ব্যৱহাৰ কৰাৰ লগতে গ্ৰাম্য নিয়োগ সুনিশ্চিত কৰা।

(5) শিক্ষানুষ্ঠানত সুবিধাৰ্থে, পৰিপুষ্টি, খেলা-ধূলা, স্ত্ৰীশিক্ষা সৰলীকৰণ কৰা, সাক্ষৰতাৰ হাৰ 100 শতাংশ কৰা।

(6) শিশুসকলক হাতে-কামে শিকা, পৰ্যবেক্ষণৰ মাজেৰে শিকা, আনন্দময় পৰিৱেশৰ মাজেৰে শিক্ষা আহৰণ কৰাৰ ব্যৱস্থা কৰা আৰু শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নয়নত গুৰুত্ব দিয়া।

<u>সৰ্বশিক্ষা অভিযানৰ কাম:</u>

সৰ্বশিক্ষা অভিযানে সম্পাদন কৰা কামসমূহ হ'ল—

(1) পৰিকল্পনা আৰু পৰিচালনা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰা।

(2) আনুষ্ঠানিক শিক্ষাক প্ৰায়োগিক কৰি তোলা।

(3) শিক্ষাৰ ক্ষেত্ৰত খোলা আয়-ব্যয় পৰিচালনা কৰা।

(4) শৈক্ষিক দিশৰ লগতে বিদ্যালয়সমূহৰো উন্নতি সাধন কৰা।

(5) শিক্ষাৰ পৰিৱেশ আকৰ্ষণীয় আৰু আনন্দময় কৰি তোলা।

(6) অনুসূচিত জাতি, জনজাতি, মহিলা, শাৰীৰিকভাৱে অক্ষম শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া।

(7) শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন সম্প্ৰদায়ক জড়িতকৰণৰ ব্যৱস্থা কৰা।

Scanned by TapScanner

## সৰ্বশিক্ষা অভিযান আঁচনিৰ বিস্তৃত কৌশল ঃ

সৰ্বশিক্ষা অভিযান আঁচনিৰ বিস্তৃত কৌশলসমূহ তলত উল্লেখ কৰা হ'ল –

(1) সৰ্বশিক্ষা অভিযানে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে দীৰ্ঘম্যাদী অৰ্থনৈতিক অংশীদাৰ হিচাপে ধৰাৰ গ্ৰহণযোগ্যতা আনিব।

(২) ই আনুষ্ঠানিক শিক্ষাৰ বিকাশ, নতুন দৃষ্টিভংগীৰ উন্মেষ আৰু সুদক্ষ পদ্ধতি প্ৰয়োগ কৰি শৈক্ষিক প্ৰশাসনৰ মূল সুঁতিৰ উন্নতি কৰিব।

(3) এই অভিযানে শিক্ষক-অভিভাৱকৰ মাজত সহযোগিতা আনিব।

(4) প্ৰাথমিক শিক্ষাক শিশুৰ বাবে ব্যৱহাৰিক আৰু যুক্তিসংগত কৰি তোলাৰ বাবে আৰু শিক্ষাৰ গুণগত মানদণ্ডৰ ৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পাঠ্যক্ৰম, শিশুকেন্দ্ৰিক কাৰ্যাৱলী আৰু ফলপ্ৰসূ শিক্ষাদানৰ কৌশল উন্নীতকৰণৰ ব্যৱস্থা কৰিব।

(5) প্ৰত্যেক জিলাতে একোখন 'জিলা প্ৰাথমিক শিক্ষা আঁচনি' এই অভিযান আঁচনি ৰূপায়ণৰ গাঁথনি অনুসাৰে প্ৰস্তুত কৰিব।

## সামৰণি ঃ

প্ৰাথমিক শিক্ষাক সকলোৰে বাবে জন্মগত অধিকাৰস্বৰূপে বিবেচনা কৰা হৈছে। ভাৰতবৰ্ষৰ দৰে অনুন্নত আৰ্থ-সামাজিক দেশৰ আৰ্থ-সামাজিক ভাৰসাম্যতা বজাই ৰাখিবৰ বাবে

প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ প্ৰয়োজন । সমাজৰ পৰা অজ্ঞানতা, অন্ধবিশ্বাস, ৰক্ষণশীল মনোভাৱ, ছোৱালী শিক্ষাৰ প্ৰতি থকা বৈষম্যমূলক মনোভাৱ আদি আঁতৰ কৰিবৰ কাৰণে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰয়োজন । এখন গণতান্ত্ৰিক দেশৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য হৈছে দেশৰ প্ৰতিজন নাগৰিকৰ বাবে প্ৰাথমিক শিক্ষা সহজলভ্য কৰি তোলা । তেতিয়াহে দেশৰ সৰ্বাংগীন উন্নতি আশা কৰিব পাৰি ।

Scanned by TapScanner